অতি চমু প্ৰশ্ন উত্তৰ

১। ভাষা এটাৰ 'ক্ষুদ্ৰতম অৰ্থবহ গোট'(smallest meaningful unit of a language) টোৰ নাম কি ? উঃ আকৃতি

২। ৰূপতাত্বিক আলোচনাৰ মৌলিক একক কি ? উঃ প্ৰাকৃতি

৩। অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণৰ নাম কি ? উঃ A Grammar of the Assamese Language লিখক উইলিয়াম ৰবিন্সন চাহাব

৪। ফাৰ্ডিনাণ্ড দ্য চচ্যুৰৰ ভাষাবিজ্ঞান সম্পৰ্কীয় পুথিখনৰ নাম কি ? উঃ Course in General Linguistics

৫। আধুনিক ভাষাবিজ্ঞানৰ পিতৃস্বৰূপ বুলি কাক কোৱা হয় ? উঃ ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ

৬। ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে ব্যৱহাৰ কৰা 'লাঁগ'(Langue) আৰু 'পাৰল'(Parole) মানে কি ? উঃ 'লাঁগ' মানে ভাষা পদ্ধতি, 'পাৰল' মানে ভাষা ব্যৱহাৰ

৭। 'Syntactic structure' গ্ৰন্থখনৰ প্ৰণেতা কোন ? উঃ নৌম চমস্কি

৮। ব্যাকৰণ শব্দটোৰ বুৎপত্তিগত অৰ্থ কি ? উঃ ভাষাৰ গঠনৰীতিৰ বিশেষ উপাদানবোৰ সম্যক বিশ্লেষণ কৰা; বি+আ+$\sqrt{\text{কৃ}}$ + অন(ট)।

৯। নাথান ব্ৰাউনে ৰচনা কৰা অসমীয়া ভাষাৰ ব্যাকৰণখনৰ নাম কি ? উঃ Grammatical Notes on the Assamese Language

১০। ইংৰাজী ভাষাৰ Grammar শব্দটো ক'ৰ পৰা লোৱা হৈছে ? ইয়াৰ অৰ্থ কি ? উঃ Grammar শব্দটো গ্ৰীক ভাষাৰ পৰা লেটিন ভাষাৰ মাজেৰে ইংৰাজী ভাষালৈ আহিছে । গ্ৰীক ভাষাত Grammar মানে আখৰ । Grammata মানে আখৰ জনা তত্ব ।

১১। অসমীয়া ভাষাত নাসিক্য ব্যঞ্জনধ্বনি কেইটা ? উঃ তিনিটা (ম,ন,ঙ)

১২। অসমীয়া ভাষাত অৰ্দ্ধস্বৰ দুটা কি কি ? উঃ 'য়' আৰু 'ৱ'

১৩। গ্ৰীক ভাষাৰ প্ৰথমগৰাকী বৈয়াকৰণিক কোন আছিল ? উঃ ডিওনুচিয়াচ থাস্ক

১৪। ডিওনুচিয়াচ থাস্কে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি ? উঃ Techne Grammatika

১৫। "ব্যাকৰণ হৈছে এটা ভাষাৰ এটাৰ বাস্তৱ বিশ্লেষণ আৰু শৰীৰতত্ব" কোনে কৈছিল ? উঃ ড° বি.এইচ.চুইট

১৬। ৰূপান্তৰ উৎপাদক ব্যাকৰণ বা T.G grammar ৰ উদ্ভাৱক কোন ? উঃ নৌম চমস্কি

১৭। অসমীয়া গোলোক ব্যাকৰণৰ ভাগ দুটা কি কি ? উঃ প্ৰবোধ আৰু সুবোধ

১৮। ভাষা এটাৰ ক্ষুদ্ৰতম অৰ্থৱহ গোটটো কি ? উঃ ৰূপ বা আকৃতি (morph)

১৯। ভাষাৰ নিম্নতম স্তৰৰ মৌলিক আৰু বাস্তৱ সামগ্ৰীবিধ কি ? উঃ বাগ্ধ্বনি

২০। অসমীয়া ভাষাত স্বৰবৰ্ণ কেইটা ? উঃ ৮টা (অ,আ,ই,উ,এ,ও,এ' আৰু অ')

২১। 'সমগ্ৰ ব্যাকৰণ কৌমুদী' কাৰ ৰচনা ? উঃ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ

২২। অসমীয়া ভাষাত লিখা প্ৰথমখন ব্যাকৰণৰ নাম কি ? উঃ হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'

২৩। অসমীয়া ভাষাৰ বচন ব্যাকৰনগত বিষয় হয়নে? উঃ নহয় ।

২৪ । অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত বিষয় হয়নে ? উঃ আংশিকভাবে ব্যাকৰণগত বিষয় ।

২৫। ধাতুৰ পিছত বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ কৰা প্ৰত্যয় বোৰক কি নামেৰে জনা যায় ? উঃ কৃৎ প্ৰত্যয় ।

২৬। 'ভাষাৰ ইতিবৃত্ত' গ্ৰন্থখনৰ ৰচক কোন ? উঃ সুকুমাৰ সেন

২৭। 'ব্যাকৰণ মাত্ৰেই তলিকন ফুটা' কাৰ উক্তি ? উঃ এডৱাৰ্ড চাপিৰ

২৮। ভাৰতীয় পৰম্পৰাত ভাষাক ব্যাকৃত কৰাৰ কথা কোনখন গ্ৰন্থত উল্লেখ আছে ? উঃ কৃষ্ণ যৰ্জুবেদ

২৯। পাণিনিৰ 'অষ্টাধ্যায়ী' ব্যাকৰণ কেতিয়া ৰচিত হৈছিল ? উঃ খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকা

৩০। অষ্টাধ্যায়ী ব্যাকৰণখনৰ অন্য এটা নাম কি ? উঃ শব্দানুশাসন

প্ৰশ্নঃ অনুক্ৰম বৰ্ণ কাক বোলে ?

উঃ যিবোৰ বৰ্ণক এটা ক্ৰমত ভাগ ভাগকৈ দেখুৱাব পাৰি তাকে অনক্ৰম বৰ্ণ বোলে । যেনে--- মৰম শব্দটো ম+অ+ৰ+অ+ম এনেদৰে এটা ক্ৰমত দেখুৱাব পাৰি । কিন্তু 'খালোঁ' শব্দটো খ+আ+ল+ওঁ; ইয়াৰ ও আৰু ঁ আমি ভাঙি দেখুৱাব নোৱাৰো ।

প্ৰশ্নঃ উপহিত বৰ্ণ কাক বোলে ?

উঃ যিবোৰ বৰ্ণক এটা ক্ৰমত ভাঙি দেখুৱাব নোৱাৰি তাকেই উপহিত বৰ্ণ বোলে । যেনে ‘খালোঁ’ শব্দটো খ+আ+ল+ওঁ; ইয়াৰ ও আৰু ঁ আমি ভাঙি দেখুৱাব নোৱাৰো ।

প্ৰশ্নঃ অসমীয়া ভাষাৰ ব্যাকৰণসমূহৰ নাম আৰু লিখকসকলৰ এক তালিকা প্ৰস্তুত কৰা ।

| ক্ৰমিক নং | ব্যাকৰণ ৰচোতাৰ নাম | | গ্ৰন্থৰ নাম | গ্ৰন্থ প্ৰকাশৰ সময় |
|---|---|---|---|---|
| ১ | উইলিয়াম ৰবিন্সন চাহাব | ইংৰাজী ভাষাৰ মাধ্যমত লিখা অসমীয়া ব্যাকৰণ | A Grammar of the Assamese language | ১৮৩৯ |
| ২ | ডo নাথান ব্ৰাউন | | Grammatical Notes on the Assamese Language | ১৮৪৮ |
| ৩ | জি.এফ.নিকল | | Appendix V sketch of Assamese language | ১৮৯৪ |
| ৪ | ও.পাভিয়তি | | An Assamese Grammar with Vocabulary an Exercises | ১৯৪৯ |
| ৫ | হেমচন্দ্ৰ বৰুৱা | | অসমীয়া ভাষাৰ ব্যাকৰণ | ১৮৫৯ |
| ৬ | হেমচন্দ্ৰ বৰুৱা | | অসমীয়া ল’ৰাৰ ব্যাকৰণ | ১৮৮২ |
| ৭ | দীনবন্ধু তৰ্কালঙ্কাৰ | | অসমীয়া ল’ৰাৰ ব্যাকৰণ | ১৮৭৩ |
| ৮ | নাৰায়ণ শৰ্মা বিদ্যাভূষণ | | আশুবোধ ব্যাকৰণ | |
| ৯ | ধৰ্মেশ্বৰ গোস্বামী | | ল’ৰাবোধ ব্যাকৰণ | ১৮৮৪ |
| ১০ | লোকনাথ শৰ্মা | | অসমীয়া ব্যাকৰণ | |
| ১১ | কালিৰাম মেধি | | অসমীয়া ভাষাতত্ব আৰু ব্যাকৰণ | ১৯৩৬ |
| ১২ | ড° বাণীকান্ত কাকতি | | Assamese its formation and Development | ১৯৪১ |
| ১৩ | সত্যনাথ বৰা | | বহল ব্যাকৰণ | ১৯২৫ |
| ১৪ | ড° গোলোক চন্দ্ৰ গোস্বামী | | অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ | ১৯৯০ |
| ১৫ | ড° গোলোক চন্দ্ৰ গোস্বামী | | অসমীয়া গোলোক ব্যাকৰণ (প্ৰবোধ আৰু সুবোধ) | ১৯৭২(প্ৰ)১৯৭৪(সু) |

প্ৰশ্নঃ অসমীয়া বিশিষ্ট স্বৰধ্বনি কেইটা ? জিভাৰ অংশ আৰু উচ্চতা অনুযায়ী অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ তালিকা এখন প্ৰস্তুত কৰা ।

উঃ বায়ুপ্ৰবাহে কণ্ঠত ঘোষৰ সৃষ্টি কৰি গলকোষ আৰু মুখবিৰৰৰ কোনো উচ্চাৰণ স্থানত বাধা নোপোৱাকৈ জিভা আৰু ওঁঠত কলিত হৈ ওলাই আহিলে যি ধ্বনিৰ সৃষ্টি হয় তাকে স্বৰধ্বনি বোলে । অসমীয়া স্বৰধ্বনিমূলক বৰ্ণমালাখনত এঘাৰটা আখৰ আছে । সেইকেইটা— অ,আ,ই,ঈ,উ,ঊ,ঋ,এ,ঐ,ও,ঔ । এই এঘাৰটা স্বৰধ্বনিৰ ভিতৰত মাত্ৰ আঠোটা স্বৰধ্বনিকহে বিশিষ্ট স্বৰধ্বনি মাত্ৰ দিয়া হৈছে । সেইকেইটা, ই,এ,এ’,আ,অ,অ’,ও আৰু উ । জিভাৰ অংশ অনুযায়ী ইহঁতক সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চাৎ এই তিনিটা ভাগত ভাগ কৰিব পাৰি । জিভাৰ উচ্চতা অনুযায়ী উচ্চ,উচ্চ-মধ্য, নিম্ন-মধ্য আৰু নিম্ন – এই পাঁচোটা ভাগত ভগাব পাৰি । জিভাৰ অংশ আৰু উচ্চতা অনুযায়ী স্বৰধ্বনি সমূহক তলত দিয়া ধৰণে তালিকাভূক্ত কৰা হয় ।

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চাত |
|---|---|---|---|
| উচ্চ | ই | | উ |
| উচ্চ-মধ্য | এ | | ও |
| উচ্চ-নিম্ন-মধ্য | এ’ | | অ’ |
| নিম্ন-মধ্য | | | অ |
| নিম্ন | | আ | |

উদাহৰণঃ /ই/তিল, /এ/ বেল, /এ'/বে'ল (bell), /আ/ তাল, /অ/ বল, /অ'/ ব'ল, /ও/ বোল, /উ/ বুল

প্ৰশ্নঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি ? অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটাৰ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী এখন তালিকা প্ৰস্তুত কৰা ।

উত্তৰঃ যিবিলাক বৰ্ণ স্বৰবৰ্ণৰ সহায় নহ'লে নিজে উচ্চাৰিত হ'ব নোৱাৰে সেই বৰ্ণবোৰকে ব্যঞ্জন বৰ্ণ বোলে । যেনেঃ ক খ গ ঘ ঙ, চ ছ জ ঝ ঞ, ট ঠ ড ঢ ণ, ত থ দ ধ ন, প ফ ব ভ ম, য ৰ ল ৱ, শ ষ স হ ক্ষ, ড় ঢ় য় ৎ ং ঃ ঁ ।

অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি মুঠতে ২১টা । ইয়াৰে ১২টা স্পৰ্শ, ৩টা নাসিক্য, ১টা পাৰ্শ্বিক, ১টা কম্পিত আৰু ৪টা উষ্ম । স্পৰ্শ ধ্বনিবোৰক ঘোষ আৰু অঘোষ এই দুই ভাগত ভাগ কৰা হয় । উচ্চাৰণৰ দীৰ্ঘতাৰ ওপৰত ভিত্তি কৰি সেইবোৰক আকৌ অল্পপ্ৰাণ আৰু মহাপ্ৰাণ হিচাপেও ভাগ কৰা হয় । নাসিক্য, পাৰ্শ্বিক আৰু কম্পিত বিশিষ্ট ধ্বনিকেইটা ঘোষ ধ্বনি । উষ্ম ধ্বনিৰ ভিতৰতো ঘোষ আৰু অঘোষ দুবিধ ধ্বনি আছে । বিশিষ্ট ধ্বনি /ঙ/ৰ বাহিৰে আটাইবোৰ বিশিষ্ট ধ্বনি শব্দৰ আৰম্ভণি, মাজ আৰু শেষত ব্যৱহাৰ হয় । /ঙ/ ধ্বনি শব্দৰ আৰম্ভণিত ব্যৱহাৰ নয় যদিও শব্দৰ মাজত শেষত ব্যৱহাৰ হয় ।

অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী তলত দিয়া ধৰণে তালিকাভূক্ত কৰা হয় ।

| উচ্চাৰণৰ স্থান → | | ঔষ্ঠ্য | | দন্তমূলীয় | | কণ্ঠ্য | | পশ্বতালব্য | |
|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ ↓ | | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ | অঘোষ | সঘোষ |
| স্পৰ্শ | অল্পপ্ৰাণ | প | ব | ত | দ | | | ক | গ |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | খ | ঘ |
| নাসিক্য | | | ম | | ন | | | | ঙ |
| পাৰ্শ্বিক | | | | | ল | | | | |
| কম্পিত | | | | | ৰ | | | | |
| উষ্ম | | | | চ | জ | | হ | স | |

প্ৰশ্নঃ প্ৰাকৃতি কাক বোলে ?

উঃ ৰূপতাত্বিক আলোচনাৰ মৌলিক একক হৈছে প্ৰাকৃতি । ভাষাত ব্যৱহৃত পদবোৰৰ খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতিবোৰ বাছি উলিওৱাৰ পাছত ধ্বনিগত আৰু অৰ্থগত মিললৈ লক্ষ্য কৰি আকৃতিসমূহক কিছুমান গোটত ভাগ কৰি প্ৰাকৃতি নিৰ্ণয় কৰা হয় । অসমীয়া ভাষাৰ 'যা' ধাতুৰ বিভিন্ন পুৰুষ আৰু বিভিন্ন কালত ভিন ভিন ৰূপ বা আকৃতি পোৱা যায় ।

যেনেঃ যাওঁ (যা-ওঁ) গৈছ (যা-ইছ-অ)
গৈছোঁ (গৈ-ইছ-ওঁ) যাবি (যা-ইব-ই)
গ'লো (গ'-ইল-ওঁ) গৈছিল (যা-ইছ-ইল)
যাম (যা-ম) যোৱা (যো-আ)

এই ভিন্ন ৰূপ সমূহ বিশ্লেষণ কৰিলে 'যা' ধাতুৰ চাৰিটা আকৃতি পোৱা যায় । যেনেঃ যা-গৈ-গ' আৰু যো । এই আকৃতি সমূহৰ মাজত ধ্বনিগত পাৰ্থক্য আছে । কিন্তু অৰ্থৰ ফালৰ পৰা মিল আছে । গতিকে আটাইকেইটা আকৃতিক এটা গোটত ভাগ কৰি এটা প্ৰাকৃতিৰ অৰ্ন্তভূক্ত কৰা হয় । অৰ্থাৎ ইয়াৰ প্ৰাকৃতিটোৰ নাম হ'ব /যা/ । আনহাতে /যা/ প্ৰাকৃতিৰ অন্তৰ্গত চাৰিটা ৰূপ ক্ৰমে [যা], [গৈ], [গ'] আৰু [যো] প্ৰাকৃতিটোৰ **উপাকৃতি** হ'ব ।

প্ৰশ্নঃ প্ৰাকৃতিক কেইটা ভাগত ভগাব পাৰি ? কি কি ?

উঃ প্ৰাকৃতিবোৰক গঠন অনুসৰি দুটা ভাগত ভগাব পাৰি ।

(ক) শব্দ বিষয়ক ৰূপ বা প্ৰাকৃতি (উদাঃ গৰু,মহ,হাতী, মানুহ ইত্যাদি)

(খ) ব্যাকৰণগত ৰূপ বা প্ৰাকৃতি ( টো, জন, জনী,বোৰ, বিলাক, লৈ, চোন, হেতেন ইত্যাদি)

চমু প্ৰশ্নৰ উত্তৰ

(১) উচ্চাৰণৰ স্থান অনুসৰি চন্দ্ৰবিন্দুটো কি ধ্বনিৰ ভিতৰত ধৰা হয় ? উঃ নাসিক্য ধ্বনি

(২) শ্বাসধ্বনি কাক বোলে ? অসমীয়া ব্যঞ্জন বৰ্ণৰ কোনটো শ্বাসধ্বনি ?

উঃ ধ্বনি উচ্চাৰণৰ ফলত স্বৰতন্ত্ৰীত যি বায়ুপ্ৰবাৰ ঘৰ্ষণ হয় সেয়াই শ্বাস । অসমীয়া ব্যঞ্জন বৰ্ণৰ 'হ' ধ্বনি শ্বাসধ্বনি ।

(৩) স্বৰতন্ত্ৰীৰ বায়ু প্ৰবাহৰ বাধা বা বাধাৰ অভাব অনুসৰি ধ্বনিবোৰক কেইটা ভাগত ভগোৱা হৈছে ? কি কি ?

উঃ দুটা ভাগত (ক) অঘোষ আৰু (খ) সঘোষ

(৪) 'প্ৰস্ফোট' আৰু 'অন্তঃস্ফোট' ধ্বনি বুলিলে কি বুজা ?

উঃ প্ৰস্ফোটঃ বৰ্হিগামী বায়ুপ্ৰবাহক সম্পূৰ্ণভাৱে বাধা দি বা ৰোধ কৰি এৰি দি উচ্চাৰণ কৰা ধ্বনিক প্ৰস্ফোট ধ্বনি বোলে । যেনে; ক,চ,ত,ট,প,ব ইত্যাদি ।

অন্তঃস্ফোটঃ যিবোৰ ধ্বনি বায়ুপ্ৰবাহ মুখৰ ভিতৰেদি শুহি লৈ উচ্চাৰন কৰা হয়, তেনে ধ্বনিক অন্তঃস্ফোত ধ্বনি বোলে । আফ্ৰিকাৰ ইবো, জুলু আদি ভাষাত এনে ধ্বনি আছে ।

(৫) স্ফোট ধ্বনি কাক বোলে ?

উঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোতে বায়ু বিস্ফোৰিত হৈ ওলায়, তেনে ধ্বনিক স্ফোট ধ্বনি বোলে ।

(৬) অস্ফোট ধ্বনি কাক বোলে ?

উঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোতে বায়ু বিস্ফোৰিত হৈ নোলায়, তেনে ধ্বনিক অস্ফোট ধ্বনি বোলে ।

(৭) নিয়তাভাস ধ্বনি কাক বোলে ? ই কেইপ্ৰকাৰৰ কি কি ?

উঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোতে বায়ু ওলোৱা পথটো সংকীৰ্ণ হয় ফলত বায়ু প্ৰবাহৰ ঘৰ্ষণৰ সৃষ্টি হয় সেইবোৰ ধ্বনিকে নিয়তাভাস ধ্বনি বোলে । ই চাৰি প্ৰকাৰৰ ক) ঘৃষ্ট (খ) পাৰ্শ্ব (৩) তাড়িত (৪) লুণ্ঠিত

(৮) ডেনিয়েল জোনছে মানস্বৰক কেইটা ভাগত ভাগ কৰিছে ? কি কি ?

উঃ দুটা ভাগত ভাগ কৰিছে । (১) মুখ্য মানস্বৰ (৮টা ) (২) গৌন মানস্বৰ (সাতটা)

(৯) শ্বাসাঘাত কেইপ্ৰকাৰৰ ?

উঃ তিনিপ্ৰকাৰৰ -- ধ্বনি শ্বাসাঘাত, শব্দ-শ্বাসাঘাত আৰু বাক্য শ্বাসাঘাত ।

(১০) সুৰ লহৰ কেইপ্ৰকাৰৰ আৰু কি কি ?

উঃ সুৰ লৰ চাৰিপ্ৰকাৰৰ – উদাত্ত, স্বৰিত, স্বাধীন স্বৰিত আৰু অনুদাত্ত ।

(১১) ধ্বনিৰ প্ৰয়োগ কেইপ্ৰকাৰৰ ?

উঃ দুই প্ৰকাৰৰ বিৰোধী প্ৰয়োগ আৰু অবিৰোধী প্ৰয়োগ ।

(১২) অবিৰোধী প্ৰয়োগ কেইপ্ৰকাৰৰ ?

উঃ দুই প্ৰকাৰৰ – পৰিপূৰক প্ৰয়োগ আৰু মুক্ত বিকল্প বা অয়ত বিকল্প প্ৰয়োগ

**পৰিপূৰক প্ৰয়োগঃ (complimentary distribution)** একেটা ধবনিৰে স্থান ভেদে হোৱা সুকীয়া সুকীয়া উচ্চাৰণেই পৰিপূৰক প্ৰয়োগ বুলি কোৱা হয় । উদাৰণ স্বৰূপে, 'পাপ' শব্দটোৰ দুয়োটা 'প'ৰ উচ্চাৰণ সুকীয়া সুকীয়া ।

প্ৰথম 'প' – শব্দৰ আদি আৰু মধ্যত পোৱা যায় ।

দ্বিতীয় 'প' – শব্দৰ অন্ত্যত পোৱা যায় ।

**মুক্ত বিকল্প বা অয়ত বিকল্পঃ** (free variation)শব্দৰ এটা ধ্বনিৰ বিকল্প উচ্চাৰণ থাকিলে বক্তাই তাৰে যিকোনো এটা উচ্চাৰণ কৰিব পাৰে আৰু এনে উচ্চাৰণৰ ফলতো বাবে শ্ৰোতাই একেই অৰ্থ গ্ৰহণ কৰে । অৰ্থাৎ এটাৰ সলনি আন এটা

ধ্বনি ব্যৱহাৰৰ ফলত উচ্চাৰণৰহে পাৰ্থক্য ঘটে অৰ্থৰ নহয় । উদাহৰণ স্বৰূপে, ইংৰাজী 'either' শব্দটোৰ 'ei' ৰ উচ্চাৰণ 'beat' ৰ 'ই' অথবা 'bite' ৰ 'আই'ৰ দৰে উচ্চাৰণ কৰিব পাৰি । এনে উচ্চাৰণৰ পাৰ্থক্যৰ ফলত 'either' ৰূপটোৰ অৰ্থৰ পৰিৱৰ্ত্তন নহয় । 'আই' আৰু 'ই' মুক্ত বিকল্প ।

(১৩) 'ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচামাল গোটায় আৰু বৰ্ণবিজ্ঞানে এই মালবোৰক লৈ চালিজাৰি ৰন্ধন কৰে' কথাষাৰ কোনে কৈছিল ?

উঃ ড° গোলোক চন্দ্ৰ গোস্বামীয়ে

প্ৰশ্নঃ প্ৰত্যয় কাক বোলে ? ই কেইই প্ৰকাৰৰ আৰু কি কি ? প্ৰতিবিধৰে উদাহৰণ আগবঢ়োৱা ।

উঃ যিবোৰ সৰ্গই মূল প্ৰাকৃতি বা প্ৰকৃতিৰ স'তে সংযোগ হৈ নতুন নতুন অৰ্থযুক্ত শব্দ সাধন কৰে তেনে সৰ্গবোৰকে শব্দ সাধনৰ সৰ্গ বা প্ৰত্যয় বোলে । উদাহৰণ স্বৰূপেঃ

খেতি + অক = খেতিয়ক; ইয়াত খেতি মানে শস্যৰে সতে শস্য উৎপাদনৰ স্থান । ইয়াত 'অক' সৰ্গটোৰ সংযোগত এটা নতুন অৰ্থযুক্ত শব্দ 'খেতিয়ক', অৰ্থাৎ শস্য উৎপাদন কৰা মানুহজনক বুজোৱা হৈছে । গতিকে 'অক' এটা প্ৰত্যয় ।

প্ৰত্যয়বোৰক বহল অৰ্থত দুটাভাগত ভগোৱা হৈছে -- (ক) বুৎপত্তিমূলক প্ৰত্যয় (খ) বিভক্তিমূলক প্ৰত্যয়

(ক) বুৎপত্তিমূলক প্ৰত্যয়ঃ যিবোৰ প্ৰত্যয় লগ লাগিলে সাধিত ৰূপটোৰ অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন হয় তাকে বুৎপত্তিমূলকক প্ৰত্যয় বোলে । বুৎপত্তিমূলক প্ৰত্যয়বোৰ ধাতু আৰু প্ৰাতিপাদিকৰ পাছত যোগ হয় । ইতিনিবিধ, পূৰ্ব প্ৰত্যয় (Prefix) মধ্যপ্ৰত্যয় (Infix), পৰপ্ৰত্যয় (Suffix)

পূৰ্ব প্ৰত্যয় (Prefix) : বে – দখল = বেদখল, পৰা – জয় = পৰাজয়, আও – বাট = আওবাট, অভি – মান = অভিমান
বে – নাম – ঈ = বেনামী অনা – বৃষ্টি = অনাবৃষ্টি, দুৰ - নাম = দুৰ্নাম

মধ্যপ্ৰত্যয় (Infix) : অসমীয়া ভাষাত মধ্য প্ৰাত্যয় নাই । কোনো কোনো ভাষাবিদে যদিও 'মানুহ-কেই-জন' ইত্যাদি শব্দৰ উদাহৰণেৰে মধ্য প্ৰত্যয়ৰ অৱস্থিতিৰ কথা কৈছে যদিও তেনে উদাৰণ সম্পূৰ্ণ দোষমুক্ত নহয় ।

পৰপ্ৰত্যয় (Suffix) : সংস্কৃত ভাষাৰ দৰে অসমীয়া ভাষাতো পৰপ্ৰত্যয় সমূহক দুটা ভাগত ভাগ কৰা হৈছে, কৃৎ প্ৰত্যয় আৰু সাধিত তদ্ধিত প্ৰত্যয় ।

কৃৎ প্ৰত্যয়ঃ কৰ্ + আ = কৰা
পঢ় + আ = পঢ়া
খা + ওঁতে = খাওঁতে

তদ্ধিত প্ৰত্যয়ঃ ঢোল + ঈয়া = ঢুলীয়া, বিহু + উৱা = বিহুৱা, কাকত + ঈ = কাকতী ইত্যাদি

প্ৰশ্নঃ কাৰক কাক বোলে ? অসমীয়া কাৰক কেইপ্ৰকাৰৰ ? কাৰক বুজাবলৈ অসমীয়া ভাষাত কেইধৰণৰ উপায় অৱলম্বন কৰা হয় ?

উঃ যি বিশেষ্য বা সৰ্বনাম পদে বাক্যত থকা ক্ৰিয়া সম্পন্ন কৰে তাকে কাৰক বোলে । প্ৰচলিত ব্যাকৰণ মতে কাৰক ছয় প্ৰকাৰৰ সেইবোৰ হ'ল – (১) কৰ্তা কাৰক (২) কৰ্ম কাৰক (৩) কৰণ কাৰক (৪) সম্প্ৰদান কৰাক (৫) অপাদান কাৰক (৬) অধিকৰণ কাৰক

অসমীয়াত সম্বন্ধ পদক কাৰকৰ ভিতৰত নধৰে । অসমীয়াত সম্বন্ধ বুজাবলৈ যোগ দিয়া ষষ্ঠী বিভক্তিৰ চিন 'অৰ' পোনপটীয়াকৈ ক্ৰিয়া পদৰ লগত সম্বন্ধ নাই যদিও অন্যান্য বিভক্তি আৰু ক্ৰিয়া পদৰ সাদৃশ্যতে সম্বন্ধ পদকো কাৰকবাচক পদৰ শ্ৰেণীত ধৰা হয় । কাৰক বুজাবলৈ অসমীয়া ভাষাত দুই ধৰণৰ উপায় আৱলম্বন কৰা হয়,

(ক) শব্দবিভক্তি যোগ দি (খ) শব্দ বিভক্তিৰ পাছত পৰসৰ্গ যোগ দি

| | |
|---|---|
| কৰ্তাকৰাক - প্ৰথমা বিভক্তি – এ, ই, ∅ | অপাদান কাৰক -- ৬ষ্ঠী + পৰসৰ্গ 'পৰা' |
| কৰ্মকাৰক - দ্বিতীয়া বিভক্তি -- ক, অক, ∅ | সম্বন্ধ পদ --- ৬ষ্ঠী বিভক্তি -- ৰ, অব |
| কৰণ কাৰক - তৃতীয়া বিভক্তি -- ৰে, এৰে | অধিকৰণ কাৰক --- ৭মী বিভক্তি --- ত , অত |
| সম্প্ৰদান কাৰক -- চতুৰ্থী বিভক্তি -- লৈ , তালৈ | |